**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-11-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰ নতুন টাৰ্মিনেল উদ্বোধনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ আহিব। সেইদিনাই প্ৰধানমন্ত্ৰীগৰাকীয়ে নামৰূপস্থিত ব্ৰাউণ্ডফিল্ড এমনিয়া-ইউৰীয়া পৰিসৰৰ আধাৰশিলা স্থাপন কৰিব। ১০ হেজাৰ ৬০১ কোটি টকা ব্যয় সাপেক্ষে এই প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰীগৰাকীয়ে অসমৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিবলগীয়া দুয়োটা প্ৰকল্পৰ বাবে সৌজন্যপূৰ্বক সন্মতি প্ৰকাশ কৰিছে। গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ সম্পূৰ্ণ নতুন টাৰ্মিনেলটো মুকলি হ'লে দেশৰ ভিতৰতে প্ৰধান বিমান চলাচল কেন্দ্ৰ হিচাপে পৰিচিত হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে নামৰূপৰ ব্ৰাউণ্ডফিল্ড প্ৰকল্পই উত্তৰ পূৰ্বাঞ্চলৰ প্ৰয়োজনীয় সাৰৰ যোগান সুৰক্ষিত কৰিব।

০০০০

সহকৰ্মীৰ চহী জালিয়াতিৰ অভিযোগত দৰঙৰ জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতৰ কণিষ্ঠ সহায়ক ৰেকিবুদ্দিন আলী আহমেদক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। অভিযোগ অনুসৰি ৰেকিবুদ্দিন আলী আহমেদে গোচৰবিহীন প্ৰমাণপত্ৰ প্ৰদানৰ নামত আবেদনকাৰীৰ পৰা গোপনে ধন লৈ জালিয়াতিৰে প্ৰপত্ৰ আদায় দিছিল। উল্লেখযোগ্য যে মাটিৰ ক্ৰয়-বিক্ৰয়, বেংকৰ লোন আদিৰ ক্ষেত্ৰত প্ৰয়োজনীয় এই প্ৰমাণপত্ৰ আদালতৰ চিৰস্তাদাৰ বা জ্যেষ্ঠ সহায়কৰ পৰা আবেদনকাৰীসকলে সংগ্ৰহ কৰাৰ নিয়ম যদিও অভিযুক্ত আলীয়ে বিভাগীয় বিষয়াৰ চহী জাল কৰি এই প্ৰমাণপত্ৰ সমূহ প্ৰদান কৰি আহিছিল। এই কথা জানিব পৰা আদালতৰ এগৰাকী কৰ্মচাৰীয়ে কিছুদিন পূৰ্বে মঙলদৈ থানাত এখন এজাহাৰ দাখিল কৰিছিল। এই এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে গোচৰ ৰুজু কৰি অভিযুক্ত ৰেকিবুদ্দিন আলী আহমেদক বিয়লি আদালতৰ পৰাই আটক কৰি নিয়ে।

০০০০

উত্তৰ-পূৰৰ ৰাজ্যকেইখনৰ এখন সংগঠিত ৰাজনৈতিক মঞ্চ গঠনৰ লক্ষ্যৰে অঞ্চলটোৰ কেইবাটাও ৰাজনৈতিক দল আজি একত্ৰিত হৈ এখন বিশেষ বৈঠকৰ আয়োজন কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ শক্তিশালী ভৱিষ্যতৰ বাবে দলকেইটা একগোট হোৱা বুলি মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই জানিবলৈ দিছে। দিল্লীৰ কনষ্টিটিউছন ক্লাৱত এখন সংবাদ মেল সম্বোধন কৰি কনৰাড চাংমাই কয়, যে উত্তৰ পূৰ্বাঞ্চলৰ শক্তিশালী ভৱিষ্যতৰ বাবে এনেদৰে একত্ৰিত হৈ আগবঢ়াটো সময়ৰ আহ্বান। তেওঁ লগতে আঞ্চলিক আৰু ৰাজনৈতিক একতা শক্তিশালী কৰাৰ প্ৰয়াস কৰা হৈছে বুলিও জানিবলৈ দিয়ে।

**বাইট**

সংবাদমেলত ত্ৰিপুৰাৰ টিপৰা মোথাৰ অধ্যক্ষ প্ৰদ্যুত বিক্ৰম মানিক্য দেৱবাৰ্মাই উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজনৈতিক শক্তি একগোট হৈ সমস্যাবোৰ উপস্থাপন কৰিলে ই ফলপ্ৰসূ হ'ব বুলি মত প্ৰকাশ কৰে আৰু আজিৰ এই বৈঠক এই ক্ষেত্ৰত এটা আৰম্ভণি হৈছে বুলি তেওঁ মন্তব্য কৰে। উত্তৰ পূৰ্বাঞ্চলৰ সমস্যাসমূহ নতুন দিল্লীত ফলপ্ৰসূভাৱে উত্থাপন কৰাৰ বাবে সুনিয়োজিত কাৰ্যসূচীৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। আজিৰ এই আলোচনা নাগালেণ্ডৰ প্ৰাক্তন মন্ত্ৰী এম কিকন, অসমৰ ডিমা হাচাও জিলাৰ পিপলছ পাৰ্টী অৱ আচামৰ নেতা ডেনিয়েল লাংথাছাকে ধৰি কেইবাগৰাকীও আঞ্চলিক ভাৱধাৰাৰ নেতাই অংশগ্ৰহণ কৰে।

০০০০

ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাইলৈ বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কামৰূপ মহানগৰ জিলা প্ৰশাসনে কাইলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থত পুৱা ৯ বজাৰ পৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছত সৰ্বধৰ্ম প্ৰাৰ্থনা, ভূপেন্দ্ৰ সংগীত, নৃত্যানুষ্ঠানৰ আয়োজন কৰা হ'ব। লতাশিল খেল পথাৰত দিনৰ ১১ বজাত সুধাকণ্ঠৰ সাংস্কৃতিক অৱদান সুঁৱৰি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হ'ব। কামৰূপ মহানগৰ জিলাৰ কাৰ্যসূচীত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

ৰাজ্যৰ আন আন ঠাইতো কাইলৈ ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। হোজাই, বাক্সা, ডিব্ৰুগড়, তিনিচুকীয়া, যোৰহাট, নগাওঁকে ধৰি কেইবাখনো জিলাত সুধাকণ্ঠৰ মৃত্যু দিন উপলক্ষে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০

বিশিষ্ট বাঁহীবাদক দীপক শৰ্মাৰ অন্তেষ্টিক্ৰিয়া আজি গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। শেষকৃত্যৰ সময়ত অসম চৰকাৰৰ হৈ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্ত আৰু ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক ৰাহুল চন্দ্ৰ দাসে প্ৰয়াত শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে শিল্পীগৰাকীৰ নশ্বৰদেহ আজি পুৱা বিমানেৰে অসমলৈ অনাৰ পাছত বৰঝাৰ বিমানবন্দৰত বাঁহী বাদকৰ দলে শিল্পীগৰাকীক বাঁহীৰ সুৰেৰে শ্ৰদ্ধাঞ্জলি জনায়।

ইয়াৰ পাছতে তেওঁৰ নশ্বৰ দেহ গুৱাহাটীৰ অম্বিকাগিৰি নগৰৰ বাসগৃহলৈ লৈ যোৱা হয়। বাসগৃহত আত্মীয়-স্বজনে শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জনোৱাৰ পাছত অম্বিকাগিৰি নগৰৰ সেউজ সংঘৰ বাকৰিত শিল্পীগৰাকীক ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

০০০০

**ঃঃ সমাপ্ত ঃঃ**